**মাধৱদেৱৰ ঝুমুৰা ঃ** মাধৱদেৱৰ সমস্ত সাহিত্যিক জীৱন আছিল শংকৰদেৱৰ আহিত গঢ় দিয়া। গুৰুজনাৰ আহিতেই তেওঁ গীত-নাটক ব্যৱহাৰ কৰিছিল নৱ-বৈষ্ণৱ মতাদৰ্শ প্ৰচাৰৰ আহিলা হিচাপে। সৰ্বমুঠ ন-খনি নাট বা ঝুমুৰা মাধৱদেৱৰ নামত পোৱা যায়। সত্ৰ সমাজত বাৰ নাট বুলি এষাৰ কথাৰ প্ৰচলন আছে। এই বাৰনাটে শংকৰদেৱৰ ছয়খন আৰু মাধৱদেৱৰ ছয়খন নাটক সামৰে। তাৰ বাহিৰে মাধৱদেৱৰ নামত প্ৰচলিত বাকী তিনিখন নাট প্ৰকৃততে মাধৱদেৱৰ হয় নে নহয় সেই কথা সন্দেহৰ বিষয়। মহাপুৰুষজনাৰ নাটসমূহ আলোচনাৰ সুবিধাৰ বাবে এইদৰে ভগাই লব পাৰি—

১। যিবোৰ নিঃসন্দেহে মাধৱদেৱৰ ৰচনা—

(ক) অৰ্জুন-ভঞ্জন

(খ) চোৰ-ধৰা

(গ) পিম্পৰা-গুচোৱা

(ঘ) ভূমি-লেটোৱা

(ঙ) ভোজন-বেহাৰ

২। যিবোৰ প্ৰকৃততে কাৰ ৰচনা জনা নাযায়—

(ক) ভূষণ-হৰণ

(খ) কোটোৰা খেলা

(গ) ৰাস ঝুমুৰা

(ঘ) ব্ৰহ্মা মোহন

৩। যিবোৰ মাধৱদেৱৰ ৰচনা বুলি চৰিত পুথিত উল্লেখ পোৱা যায়—

(ক) গোবৰ্দ্ধন-যাত্ৰা

(খ) নৃসিংহ-যাত্ৰা

(গ) ৰাম-যাত্ৰা

'ইয়াৰে প্ৰথমটি থ্‌লৰ পাঁচখনি নাটৰ লগত শেষৰ থ্‌লৰ গোবৰ্দ্ধন যাত্ৰাখনি যোগ দি কালিৰাম মেধিয়ে 'ৰাবনাট'ৰ ছয়নাট সম্পূৰ্ণ কৰিছে।'[১২] পিছে যিখন নাট আজিলৈকে কোনেও দেখা নাই কেৱল চৰিত পুথিৰ বৰ্ণনাৰ ভিত্তি কৰিয়েই সেইখন 'সন্দেহ মুক্ত ৰচনা'ৰ শাৰীত থোৱাটো কিমান দূৰ যুক্তিযুক্ত সেই কথা চিন্তাৰ বিষয়। 'কথাগুৰু-চৰিত'ৰ বিৱৰণটি পঢ়িলে 'গোবৰ্দ্ধন যাত্ৰা'ক মাজে সময়ে উৎসৱ বুলি ভুল হ'ব খোজে। প্ৰকৃততে গোবৰ্দ্ধন যাত্ৰা নাট নে উৎসৱ সেই কথাত আজিও সিদ্ধান্ত দিয়াৰ উপায় নাই। ওপৰত উল্লেখ কৰা দ্বিতীয়টি থ্‌লৰ 'ভূষণ-হৰণ' নাটখনেই তাতোকৈ ছয়নাটৰ অন্তৰ্ভুক্ত কৰিব পাৰি। কাৰণ এই খনিৰ বিষয়-বস্তু, ৰচনাৰীতি আৰু কৃষ্ণ চৰিত্ৰৰ চিত্ৰণ মাধৱদেৱৰ নাট্যৰীতিৰ বেছি ওচৰ চপা। গতিকে আমাৰ মতে মাধৱদেৱৰ 'সন্দেহ মুক্ত' নাটকেইখনি এইদৰে সজোৱাহে যুগুত—

(ক) অৰ্জুন-ভঞ্জন

(খ) চোৰ-ধৰা

(গ) পিম্পৰা গুচোৱা

(ঘ) ভূমি লেটোৱা

(ঙ) ভোজন-বেহাৰ

(চ) ভূষণ হৰণ

ঝুমুৰা সমূহৰ উৎস : বিল্বমংগলৰ প্ৰভাৱ—

মাধৱদেৱৰ ক্ষুদ্ৰ পৰিসৰৰ ঝুমুৰাবোৰৰ লগত বিল্বমংগলৰ নামটো ওতঃপ্ৰোতভাৱে জড়িত। কাৰণ এইবোৰৰ কাহিনীত প্ৰায়ে দেখা যায় বিল্বমংগলৰ স্তোত্ৰৰ প্ৰভাৱ। কিংবদন্তিৰ কুঁৱলী ফালি বিল্বমংগলৰ বিষয়ে কোনো কথাই সঠিকভাৱে জনাৰ উপায় নাই। দক্ষিণ ভাৰতৰ পৰম্পৰাগত বিশ্বাস মতে এওঁ আছিল তামিল অথবা

১২। 'ষ্টাডিজ ইন দা বৈষ্ণৱ লিটাৰেচাৰ এণ্ড কালচাৰ অৱ আসাম,' পৃঃ ২৬

মালয়ালম ভাষী অঞ্চলৰ লোক। কেৰালা অঞ্চলৰ বিশ্বাসত এওঁৰ নিজা ভূমি হ'ল মালাবাৰৰ মুক্তিশাল (বৰ্ত্তমানৰ মুকুতালাই) নামৰ স্থান। বাৰ বছৰ বয়সত সন্ন্যাস গ্ৰহণ কৰি এওঁ অন্ধ্ৰপ্ৰদেশৰ কৃষ্ণা জিলাৰ শ্ৰেদাবি পৰ্বতত কিছুকাল কটোৱাৰ কথাও শুনা যায়।[১৩] অন্য কিছুমান কাহিনীয়ে আকৌ এওঁক কালিকট নামৰ ঠাইৰ লগত আৰু ত্ৰিবান্দ্ৰমৰ পদ্মনাভ মন্দিৰৰ নিৰ্মাণৰ লগতো জড়িত কৰে।[১৪] কোনো কোনোৱে কয় যে এওঁ আছিল বিষ্ণুস্বামী সম্প্ৰদায়ৰ সাধক।[১৫] কিন্তু তেওঁৰ গুৰু সোমগিৰিৰ নামলৈ চাই অন্য এচামে তেওঁৰ শংকৰপন্থী দশনামী সন্ন্যাসী বুলিয়েই ক'বলৈ খোজে।[১৬] বিল্বমংগলৰ সময়ৰ বিষয়েও নানা জনৰ নানা মত। Winternits-এ এওঁৰ সময় ধৰিছে সপ্তদশ শতিকা। তেওঁৰ ৰচনাৰ উদ্ধৃতি দি ৰামকৃষ্ণ কবিয়ে প্ৰমাণ কৰি দেখুৱাইছে যে বিল্বমংগলৰ সময় হ'ল ১০৬০-ৰ পৰা ১৩৫০ শকৰ ভিতৰত।[১৭] পণ্ডিত ফাৰ্কুহাৰৰ মতে পঞ্চদশ শতিকাই হ'ল এওঁৰ আনুমানিক সময়।[১৮] কোনো কোনো পণ্ডিতে আকৌ তিনিজন বিল্বমংগলৰ সন্ধান দিয়ে।[১৯] প্ৰথমজন হ'ল 'কৃষ্ণকৰ্ণামৃত'ৰ প্ৰণেতা আৰু পদ্মপাদাচাৰ্যৰ শিষ্য। বাকী দুজনৰ কাল ক্ৰমে ১১৫০ ৰ পৰা

---

১৩। 'বিল্বমংগল এণ্ড ৱৰ্কছ এট্ৰিবিউটেড টু হিম,' জাৰ্নেল অব গৌহাটী ইউনিভাৰ্ছিটি', ১৯৬১

১৪। 'ৰিলিজিয়াচ লিটাৰেচাৰ অব ইণ্ডিয়া,' পৃঃ ৩০৪

১৫। " " " " "

১৬। 'বিল্বমংগল এণ্ড ৱৰ্কছ এট্ৰিবিউটেড টু হিম,' 'জাৰ্নেল অব গৌহাটী ইউনিভাৰ্ছিটি,' ১৯৬১

১৭। 'বিল্বমংগল এণ্ড ৱৰ্কছ এট্ৰিবিউটেড টু হিম', 'জাৰ্নেল অব গৌহাটী ইউনিভাৰ্ছিটি', ১৯৬১

১৮। 'ৰিলিজিয়াছ লিটাৰেচাৰ অব ইণ্ডিয়া', পৃঃ ৩০৪

১৯। ওৱাৰিয়াৰ, গোবিন্দ, 'ইণ্ডিয়ান হিষ্টৰিকেল কোৱাৰ্টাৰলি' ১৯৩১, পৃঃ ৩০৪—৩১২

১৩০০ শক আৰু সপ্তদশ শতিকা বুলিয়েই ওপৰে ওপৰে নিৰ্ণয় কৰা হৈছে। অসমৰ পুৰণি চৰিত পুথিতো বিল্বমংগলৰ নামৰ উল্লেখ পোৱা যায়। শংকৰ চৰিতৰ প্ৰণেতা ৰামচৰণ ঠাকুৰৰ[২০] মতে গয়া আৰু পুৰীৰ মাজৰ কোনো এঠাইতে বিল্বমংগলৰ গাঁওখনি অৱস্থিত আছিল।

বিল্বমংগলৰ বিষয়ে মন কৰিবলগীয়া কথা এয়ে যে সমগ্ৰ ভাৰতেতে এওঁৰ ৰচনাসমূহ নানা ৰূপত সিঁচৰতি হৈ থকা পোৱা যায়। সম্ভৱ ৰামায়ণ-মহাভাৰতৰ পিছত ইমান বিস্তৃতি লাভ কৰা সাহিত্য এই খনিয়েই। বংগদেশত এওঁৰ ৰচনাৱলীক বোলা হয় 'বিল্বমংগল কোষ কাব্য' নাইবা 'শ্ৰীকৃষ্ণ-স্তোত্ৰ'। পশ্চিম ভাৰতত এইবোৰৰ নাম 'বালগোপাল স্তুতি'। দক্ষিণ ভাৰতত আকৌ এই ৰচনাৱলী খ্যাত হৈছে 'কৃষ্ণকৰ্ণামৃত' নামেৰে, ইয়াৰ ৰচকৰ নামো লীলাশুক বুলিহে জনা যায়। বিল্বমংগলৰ ৰচনাৱলীয়ে কেতিয়া কি ৰূপত আহি অসমত প্ৰৱেশ কৰিলে সেই কথা জনাৰ উপায় নাই। শংকৰদেৱে তেওঁৰ অতুলনীয় শিক্ষাৰ দ্বাৰা ভক্তি-কবিতাৰ প্ৰতি মানুহৰ আগ্ৰহ আৰু অনুৰাগ জগাই তুলিছিল। তেওঁৰ প্ৰিয় শিষ্য মাধৱৰ গীত আৰু নাটত 'কৃষ্ণকৰ্ণামৃত'ৰ যথেষ্ট প্ৰভাৱ দেখা যায়। তথাপিও বিল্বমংগলৰ বিষয়ে যে শংকৰদেৱে ভালদৰে জানিছিল তাৰ প্ৰমাণ পোৱা নাযায়। 'কৃষ্ণকৰ্ণামৃত' আৰু লীলাশুক এই দুয়োটা নামেই সেই সময়ত অচিনাকি আছিল যেন লাগে। বিল্বমংগলৰ ৰচনাৱলীক চৈতন্যদেৱে নিজে বংগদেশলৈ আনে বুলি কোৱা হয়। বংগদেশৰ মধুৰ-ভাৱৰ ৰহস্যবাদী ভক্তিত এইবোৰৰ প্ৰভাৱ দেখা যায়।[২১] শংকৰদেৱৰ তিৰোধানৰ পিছত দীৰ্ঘকাল সাহিত্যিক জীৱন কটোৱা মাধৱদেৱে তেওঁৰ নাটসমূহত বিল্বমংগলৰ ৰচনাৰ বাল-গোপালক

২০। পদঃ নং ৪৫৬—৪৫৮

বিচাৰি লৈছে। বাৎসল্য ৰসেই সেইবাবে তেওঁৰ ঝুমুৰাসমূহৰ প্ৰধান ৰস।

'চোৰধৰা', 'পিম্পৰা-গুচোৱা' আৰু 'ভূমিলেটোৱা,' এই কেইখন ঝুমুৰা 'কৃষ্ণকৰ্ণামৃত'ৰ শ্লোকৰ পোনপটীয়া নাট্যৰূপ। 'অৰ্জুনভঞ্জন' খনিতো ইয়াৰ পাঁচটি শ্লোক ব্যৱহৃত হৈছে। পিম্পৰা-গুচোৱা ঝুমুৰাৰ নামটো লোৱা হৈছে মূল স্তোত্ৰৰ 'পিপিলিকাপনয়নম' শব্দৰ পৰা। 'কৃষ্ণস্তোত্ৰৰ' অসমত প্ৰচলিত ৰূপৰ ২০ আৰু ১৩০ নং শ্লোকৰ আধাৰত এইখনি ঝুমুৰাৰ কাহিনীভাগ গঠিত হৈছে। কৃষ্ণৰ লৱণু চুৰিৰ কাৰ্যকে নান্দী শ্লোকত আৰু পিছত গীতেৰেও বুজোৱা দেখা যায়। মূল শ্লোকৰ বিষয়-বস্তুৰ নিজা উদ্ভাৱনী শক্তিৰ মিশ্ৰণেৰে মাধৱদেৱে সুন্দৰ নাট্যবস্তুৰ সৃষ্টি কৰিছে।

ঝুমুৰাসমূহত ভাগৱত-পুৰাণৰ কাহিনীৰো প্ৰকাশ দেখা যায়। 'অৰ্জুন-ভঞ্জনত' 'হৰিবংশ'ৰ প্ৰভাৱ স্পষ্ট হৈ চকুত পৰে। তথাপিও সৰ্বমুঠ বিচাৰত দেখা যায় যে নাটকীয় কাহিনীৰ বাবে ভাগৱততকৈও তেওঁৰ প্ৰিয় আছিল বিল্বমংগলৰ 'কৃষ্ণকৰ্ণামৃত'ৰ শ্লোক সমূহহে।